# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date : 16-01-2026**
**Time : 21-25  Hrs.**

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিয়লি ৬ বজাত গুৱাহাটীৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। ইতিমধ্যে সমাপ্ত হোৱা বাগৰুম্বা নৃত্যৰ চূড়ান্ত আখৰাত ৰাজ্যৰ ২৩ খন জিলাৰ ৮১ টা সমষ্টিৰ পৰা অহা ১০ হাজাৰ শিল্পীয়ে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সৰুসজাই ষ্টেডিয়ামত উপস্থিত হৈ সমগ্ৰ পৰিৱেশ তদাৰক কৰাৰ লগতে সমবেত শিল্পীসকলক সাহস আৰু অনুপ্ৰেৰণা দিয়াৰ উদ্দেশ্যে চমু ভাষণ প্ৰদান কৰে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

ইয়াৰ পূৰ্বে কালি সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই বাগৰুম্বা নৃত্যৰ আখৰা পৰিদৰ্শন কৰে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়েও কালি আবেলি সৰুসজাইত উপস্থিত হৈ বাগৰুম্বা নৃত্যৰ আখৰাৰ লগতে সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়।

বাগৰুম্বা দ'হৌ অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত বিটিচিত নতুনকৈ নিযুক্তি লাভ কৰা শিক্ষকসকলৰ কাইলৈ হ'বলগীয়া  নথি পৰীক্ষাৰ দিন পিছুৱাই দিয়া হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে পৰহিলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। মন্ত্ৰী পীযূষ হাজৰিকা, কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে কালি প্ৰধানমন্ত্ৰীয়ে অংশ ল'বলগীয়া জনসভাস্থলী পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **গুৱাহাটীৰ পৰা ৰ'হটক** চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

০০০০০

অসম বিধানসভা সচিবালয়ে অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা অসম বিধানসভাৰ অধিবেশন অনুষ্ঠিত কৰাৰ অনুমতি বিচাৰি ৰাজ্যপাললৈ পত্ৰ প্ৰেৰণ কৰিছে। সেই অনুসৰি ৰাজ্যপালে অনুমতি দিলে চৰকাৰে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰিব বুলি বিধানসভা সচিবালয়ৰ এটা সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে সমাগত অসম

বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ বিধানসভাৰ অধিবেশনত পূৰ্ণাংগ বাজেটৰ পৰিৱৰ্তে লেখানুদান দাখিল কৰা যাব।

০০০০

অসম চৰকাৰৰ ২০২৬ বৰ্ষৰ শিল্পী বঁটাৰ বাবে বিশিষ্ট সংগীত শিল্পী প্ৰয়াত সমৰ হাজৰিকাক আৰু শ্ৰীমতী ধনদা পাঠকক মনোনীত কৰা হৈছে। ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হবলগীয়া বঁটা প্ৰদান অনুষ্ঠানত এই শিল্পী বঁটা প্ৰদান কৰা হব। লগতে বিশিষ্ট সাহিত্যিক মনেশ্বৰ দেউৰীক ২০২৫ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বঁটা, বিশিষ্ট শিক্ষাবিদ ড০ কমলেন্দু চক্ৰৱৰ্তীক ২০২৫ বৰ্ষৰ গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি বঁটা, বিশিষ্ট নাট্যশিল্পী শ্ৰীকৰুণা ডেকাক ২০২৫ বৰ্ষৰ নটসূৰ্য্য ফণী শৰ্মা বঁটা, বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা শ্ৰীঅৰূপ মান্নাক ২০২৫ বৰ্ষৰ ভবেন্দ্ৰনাথ শইকীয়া বঁটা আৰু শ্ৰীঅৱনী ৰঞ্জন পাঠকক ২০২৫ বৰ্ষৰ বিজু ফুকন বঁটাৰে সন্মানিত কৰা হ'ব।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যুৰ দিন অৰ্থাৎ শিল্পী দিৱস উপলক্ষে কাইলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ পৰা বাতৰি বিভাগৰ বাতৰি পঢ়োতা, বাতৰি সম্পাদক, ডিটিপি কৰ্মচাৰী আৰু সহায়কসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, কবিতা আৰু নাটকৰ সংলাপ পৰিৱেশন কৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফেচবুক পেজ আৰু ইউটিউব চেনেলযোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ফে'চবুক আৰু ইউটিউবত অনুষ্ঠানটো বিৰতিবিহীনভাৱে প্ৰচাৰিত হ'ব। অনুষ্ঠানটোৰ নিৰ্বাচিত অংশ ১৮ জানুৱাৰী দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত মহাবাহু চেনেলযোগে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

মহাৰাষ্ট্ৰৰ বিৰুদ্ধে ১৮ জানুৱাৰীৰ পৰা ৰাজকোটত হবলগীয়া বি চি চি আই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ ছেমি ফাইনেল খেলৰ বাবে অসম ক্ৰিকেট সন্থাই অসমৰ দলটোৰ খেলুৱৈ আৰু সহায়ক ষ্টাফৰ নাম ঘোষণা কৰিছে। অমন য়াদৱৰ নেতৃত্বত ১৬ জনীয়া দলটো ঘোষণা কৰা হয়।

০০০০

**ঃঃ সমাপ্ত ঃঃ**